৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

১০ পৃষ্ঠাত


# অসম আদিত্য

RNI REGN. No.
epaper.a
Portal : ww
e-mail : as

২১ জেঠ, ১৯৪৮ শক ■ শুকুৰবাৰ, ৫ জুন, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, June 5, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকাশি



জোতা বা টান ে
দুৰ্গন্ধ ওলায়।
আগতে ভৰি ধে
কৰিব। তাৰোপ
কৰিলে এ


## ভাৰতীয় ডাক বিভাগৰে বুজাবুজি চুক্তি স্বাক্ষৰ কানৈ কলেজৰ



**ষ্টাফ ৰিপৰ্টাৰ, ৪ জুন ঃ** ৮০ বছৰ গৰকা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ ইতিহাসত সংযোজিত হ'ল এক নতুন অধ্যায়। মহাবিদ্যালয় চৌহদৰ পৰা অতিশীঘ্ৰে আৰম্ভ হ'ব ভাৰতীয় ডাক সেৱা। এই সন্দৰ্ভত কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাকক্ষত মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু ডাক বিভাগৰ মাজত ৩ জুনত এক বুজাবুজি চুক্তি সম্পন্ন হয়। কানৈ মহাবিদ্যালয়ৰ হৈ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়া আৰু ডাক বিভাগৰ হৈ স্বাক্ষৰ কৰে ডিব্ৰুগড় মণ্ডলৰ ডাক অধীক্ষক হীৰেন কুমাৰ গগৈয়ে। এই খবৰ লাভ কৰাৰ লগে লগে মহাবিদ্যালয় পৰিয়ালৰ মাজত আনন্দৰ জোৱাৰ উঠে। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই জনোৱা মতে অনতিপলমে আৰম্ভ হ'বলগীয়া 'ডি এইচ এছ কে (স্বায়ত্তশাসিত) মহাবিদ্যালয় উপ-ডাকঘৰ' নামেৰে নামকৰণ কৰা এই ডাকঘৰটিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ লগতে সাধাৰণ জনতাই ডাক সেৱা, বেংকিং সেৱাৰ লগতে বিভাগৰ অন্যান্য সংলগ্ন সেৱাসমূহ লাভ কৰিব পাৰিব। আজি অনুষ্ঠিত হোৱা এই বুজাবুজি চুক্তিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াকে প্ৰমুখ্য কৰি উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ ফুকন, কৰ্মচাৰী ভুৱনজ্যোতি বৰুৱা, ভাৰতীয় ডাক বিভাগৰ হৈ ডিব্ৰুগড় মণ্ডলৰ ডাক অধীক্ষক হীৰেন কুমাৰ গগৈ, অৰিন্দম বৰঠাকুৰ উপস্থিত থাকে। উল্লেখ্য যে মহাবিদ্যালয়খনৰ ৮০ বছৰীয়া পৰিক্ৰমাত নতুনকৈ সংযোজন হোৱা এই উপ-ডাকঘৰ সেৱাই মহাবিদ্যালয়খনৰ লগতে স্থানীয় ৰাইজৰ বহুদিনীয়া অভাৱ পূৰণ কৰিব।